*Barkātud Du'ā*

# বাৰাকাতুত দোৱা
# (দোৱাৰ কল্যাণসমূহ)



লিখক

হজৰত মিৰ্জা গোলাম আহমদ

# বাৰাকাতুত দোৱা

## (দোৱাৰ কল্যাণসমূহ)

অনুবাদক
আব্দুল কাদিৰ মুৱাল্লিম ছিলছিলা

নাম কিতাপ : বাৰাকাতুত দোৱা (দোৱাৰ কল্যাণ)
অনুবাদক : আব্দুল কাদিৰ মুৱাল্লিম ছিলছিলা
মূল কিতাপ : বাৰাকাতুত দোৱা
লিখক : হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)
প্ৰথম প্ৰকাশক : ২০২০, ১০০০ কপি
প্ৰকাশক : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
মুদ্ৰণে : ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,
জিলা গুৰদাছপুৰ,পিন ১৪৩৫১৬ (পঞ্জাৱ)

Name Book : Barakatut Dua (Duar Kallan)
Translated by : Abdul Qadir Muallim Silsila
Original Book : Barakatut Dua
Author : Hazrat Mirza Ghulam Ahmed Qadiani
First Published : 2020, 1000 Copies
Published by : Nazarat Nashor-O-Ishaat Qadian
Printed at : Fazle Umar Printing Press Qadian,Dist.Gurdaspur Pin 143516 (Punjab)

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত পুস্তক বাৰাকাতুত দুৱা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় আব্দুল কাদিৰ মুৱাল্লিম ছিলছিলা আৰু কমপোজিং কৰিছে মাননীয়া ৰেজিয়া খাতুন **B.Sc** য়ে,আৰু **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (সভাপতি **Review** কমিটি অসম) মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা। **Review** হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই অত্যাৱশ্যকীয় শুধৰণী কৰিছে। আল্লাহ তা'লা কিতাপখন প্ৰস্তুত কৰি উলিওৱাতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন

নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান

# বাৰাকাতুত দুৱা
## (দোৱাৰ কল্যাণসমূহ)

মই উপৰোক্ত সংবাদ পত্ৰিকাটোত ১৮৯৩ খ্ৰীষ্টাব্দৰ ২৫ মাৰ্চ তাৰিখৰ সংখ্যাটো পাইছোঁ।ইয়াত পণ্ডিত লেখৰাম পেশ্বাৰৰীৰ মৃত্যু সম্পৰ্কত মোৰ ভৱিষ্যৎবাণীৰ সমালোচনা উল্লেখ আছে। মই জানিব পাৰিলোঁ যে আল্লাহৰ ফালৰ পৰা প্ৰাপ্ত ভৱিষ্যৎবাণীক মোৰ ফালৰ পৰা প্ৰকাশ কৰাৰ কাৰণে অন্যান্য সংবাদ পত্ৰও মৰ্মাহত হৈছে।

ইয়াত মই নথৈ আনন্দিত হৈছো যে,যি সকলে মোৰ শত্ৰু সিহঁতেই মোৰ ভৱিষ্যৎবাণী প্ৰচাৰ কৰি আছে। প্ৰতিউত্তৰত মই সিহঁতক ক'ব বিচাৰো।মই যি কৈছো আৰু লিখিছোঁ সেয়া আল্লাহ তা'লাৰ ইচ্ছা অনুসৰি কৈছো আৰু লিখিছো,নতুবা ইয়াৰ লগত মোৰ কোনো সম্পৰ্ক নাই। কিন্তু যেতিয়া কোৱা হয়,এনে ধৰণৰ ভৱিষৎবাণীয়ে কোনো উদ্দেশ্য সাধন কৰিব নোৱাৰিব এনেকি এই ভৱিষ্যৎবাণীৰ পৰিপূৰ্ণতা সম্বন্ধে সন্দেহ থাকিয়ে যাব।এতিয়া মই ক'বলৈ বাধ্য যে এই সকলোবোৰ সময় এতিয়াও অহা নাই,মই আগতেই স্বীকাৰ কৰিছোঁ আৰু এতিয়াও স্বীকাৰ কৰি আছো যে যদি এই ভৱিষ্যৎবাণীৰ ফলাফল এনেকুৱা হয় যে সাধাৰণ জ্বৰ হ'ল বা সাধাৰণ বিষ-বেদনা হ'ল নাইবা কলেৰা হৈ আৰোগ্য লাভ কৰিলে,তেন্তে মোৰ ভৱিষ্যৎবাণী ভাৱিষ্যৎবাণী বুলি পৰিলক্ষিত নহয়,বৰং এইটো নিঃসন্দেহ এক ধৰণৰ প্ৰতাৰণাৰ প্ৰচেষ্টা বুলি গন্য হ'ব।এনে ধৰণৰ সৰু-সুৰা অসুখ-বিসুখ হৈয়ে থাকে। কোনেও এইবোৰৰ পৰা মুক্ত নহয়।

এনে ক্ষেত্ৰত মই যি শাস্তিৰ কথা গ্ৰহণ কৰিবলৈ উল্লেখ কৰিছোঁ সেই শাস্তি গ্ৰহণ কৰিবলৈ বাধ্য হম।কিন্তু মোৰ ভৱিষ্যৎবাণী যদি এনে ধৰণৰ বৈশিষ্টৰ সৈতে পৰিপূৰ্ণ হয়,সেয়া দেখিলে খোদা তায়লাৰ শাস্তি যেন মনত পৰে, কেৱল তেতিয়াই এই ভৱিষ্যৎবাণীক খোদাৰ ফালৰ পৰা আগতীয়া বুলি বুজিব লাগিব।সঠিক এয়া যে ভৱিষ্যৎবাণীৰ নিজস্ব মৰ্যদা আৰু হেয়বতৰ দিন আৰু সময় নিৰ্ধাৰণ কৰাৰ ওপৰত নিৰ্ভৰ নকৰে। বৰং এইটোই যথেষ্ট যে ঘটনাৰ কাৰণে এটা সময় সীমা নিৰ্ধাৰণ কৰা হৈছে । এই নিৰ্ধাৰণ সময়ৰ ভিতৰত এই ভৱিষ্যৎবাণী যদি এনেদৰে

পূৰণ হয়,তেন্তে সকলোৰ মনত ভয় আৰু বিষ্ময়ৰ সঞ্চাৰ কৰে তেনেহলে এইটোয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰি সন্দেহ আৰু সমালোচনাসমূহ এতিয়ালৈকে যিবোৰ প্ৰকাশ কৰা হৈছে সেয়া আঁতৰ হৈ যাব,আৰু ন্যায়পৰায়ণ লোকসকল লাজুকীয়া হৈ সিহঁতৰ সন্দেহসমূহ বাতিল কৰিব।

এটা কথা মনত ৰখা উচিত যে মই এজন অধম মানুহ বেলেগৰ দৰে মইয়ো প্ৰাকৃতিক নিয়মৰ অধিনস্থ। মই যদি সাম্বব্য ৰোগ, শোক,ঘটনা ইত্যাদি ভৱিষ্যৎবাণী কৰিব পাৰো সংশ্লিষ্ট ব্যক্তিও অনুৰূপ ভাৱে মোৰ সম্বন্ধে ভৱিষ্যৎবাণী কৰিব পাৰে। মই মোৰ ভৱিষ্যৎবাণীত মাত্ৰ ৬ বছৰ সময় নিৰূপন কৰিছোঁ। সিহঁতৰ ভৱিষ্যৎবাণীত ১০ বছৰ সময় সীমা নিৰ্ধাৰণ কৰিলেও মই মানি লম।লেখৰামৰ বয়স এতিয়া ৩০ বছৰৰ বেছি নহয়। তেওঁ গাভৰু,শকত আৰু সুঠাম দেহৰ অধিকাৰী আৰু তেওঁৰ শাৰীৰিক অৱস্থা বৰ ভাল। আৰু মই পঞ্চাচ বছৰৰ এজন দুৰ্বল মানুহ। বহু দিনৰ পৰা বিভিন্ন ৰোগত ভুগি আছো। এই স্বাভাৱিক পাৰ্থক্যবোৰ থকা সত্ত্বেও যাৰ প্ৰতিটো প্ৰতিপক্ষৰ অধীনত আছে সেয়া পৰিষ্কাৰ ভাৱে ফুটি উঠিব যে কাৰ ভৱিষ্যৎবাণী মানুহৰ ফালৰ পৰা আৰু কাৰ ভৱিষ্যৎবাণী খোদাৰ ফালৰ পৰা এয়া স্পষ্ট বুজিব পৰা যাব।

সমালোচক মহোদয়ে কৈছে,এইবোৰ ভৱিষ্যৎবাণী আজিকালি সিমান গুৰুত্বপূৰ্ণ নহয়। এনেদৰে কোৱাটো আজিকালি সাধাৰণ ৰীতি হৈ পৰিছে। কিন্তু মোৰ ওচৰত এয়া সঁচা যেন মনত হয় যে আজিকালি মানুহৰ মাজত বৰকৈ গুৰুত্বপূৰ্ণ ও লাগতীয়াল সত্যসমূহ গ্ৰহণ কৰিবৰ ইচ্ছা আকাঙ্খা জাগি উঠিছে।যিটো অতীতৰ মানুহৰ মাজত আজিৰ তুলনাত নগন্য আছিল। পাৰ্থক্য কেৱলমাত্ৰ এইটো যে আজিকালি মানুহৰ ওচৰত প্ৰতাৰণা ইমান সহজতে আশ্ৰয় নাপায়। আৰু প্ৰতাৰণা কৰি সহজতে অতিক্ৰম হোৱা নাযায়।সাধু আৰু সত্য দাবী কৰোঁতা সকলৰ কাৰণে এয়া ভাল লক্ষণ। যি সকলে সঁচা আৰু মিছাৰ মাজত পাৰ্থক্য কৰিব পাৰে,তেখেতৰ ভিতৰত বহু এনেকুৱা আছে,যিসকলে সত্যক নিজৰ হৃদয়ৰে ভাল পায়। তেখেত সত্য পোৱা মাত্ৰই সেই ফালে অগ্ৰসৰ হয় আৰু তাক মানি লয়। সত্যই নিজৰ মাজত এক প্ৰকাৰ আকৰ্ষণীয় শক্তি ৰাখে। যাৰ ফলশ্ৰুতিত মানুহে ইয়াক গ্ৰহণ কৰিবলৈ বাধ্য হয়।আমি যিসময়ত বাস কৰি আছো,সেই সময়ক দোষাৰূপ কৰাটো ভুল।এনেকোৱা শত শত বস্তু যিবোৰক আমাৰ পূৰ্বপুৰুষসকলে সত্য

বুলি মন কৰা নাছিল। আজি সেইবোৰক সত্য বুলি জ্ঞান কৰা হৈছে। এই পৰিৱৰ্তন এই কাৰণে সম্ভৱ হৈ উঠিছে,যিহেতু সত্য উপনীত হোৱাৰ বাবে মানুহৰ মাজত ব্যকুলতাৰ তৃষ্ণা জন্ম লৈছে। যি সত্য শকত ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত সেয়া মানুহে ভাল পায় ঘৃণা নকৰে। মানুহ আজিকালি বৰ দক্ষতাপূৰ্ণ ও চতুৰ হৈ গৈছে আৰু সহজ ও সৰল মানুহৰ পুৰণি যুগ পাৰ হৈ অতীতৰ ঢাকনিত গৈ পৰিছে। এনেকুৱা কথা বৰ্তমান সময়ক অপমানীত কৰাৰ বাদে আৰু একো নহয়।বৰ্তমান সময় ইমান দুৰ্বল নে যে,কোনো সত্য সঠিক ভাৱে প্ৰমাণীত হোৱাৰ পাছতও মানুহে তাক সত্য ও সঁচা বুলি নামানিবনে ? নহয়! নহয়! এনেধৰণৰ কথা মই ক'ব নোৱাৰো। কিয়নো মই দেখিছোঁ যে শিক্ষিত আৰু বিশেষজ্ঞই অধিক সংখ্যাই মোৰ ওচৰত আহে আৰু উপকৃত হয়। এইসকলৰ ভিতৰত বেছি সংখ্যক বি.এ,এম.এ পাছ। এই নতুল শিক্ষিত সকলৰ মধ্য মই সত্য গ্ৰহণৰ বিশেষ আগ্ৰহ আৰু উদ্দীপনা এনেকি উৎসা লক্ষ্য কৰিছোঁ। ইয়াৰ পাছত মাদ্ৰাছাত বসবাস কৰা ইউৰোশিয়ান নামৰ এটা ইংৰাজ সম্প্ৰদায় যিসকলে ইছলাম গ্ৰহণ কৰিছিল। সিহঁতে আমাৰ বিশ্বাসসমূহ গ্ৰহণযোগ্য বুলি ভাৰি আমাৰ জমাতত যোগদান কৰিছে।

মোৰ মনত হয় মই যি কৈছো সেয়া খোদা ভীৰু লোকৰ পক্ষে বুজিবৰ কাৰণে যথেষ্ট। আৰ্যসমাজে মোৰ বক্তব্যৰ ওপৰত সাধাৰণ ভাৱে যেনেকুৱা ইচ্ছা সমালোচনা কৰক; এতিয়া সঠিক সময়ত মোৰ ভৱিষ্যৎবাণীৰ প্ৰশংসা কৰা, আৰু সমালোচনা কৰা উভয়টো সহজ। যদি এই ভৱিষ্যৎবাণী ঐশ্বৰিক হৈ থাকে যেনেকুৱা মই ঐশ্বৰিক হোৱা নিশ্চিত বুলি জানো।তেন্তে এইটো মানুহৰ হৃদয়ত পোহৰৰ সৃষ্টি কৰিবই। আৰু যদি ঐশ্বৰিক নহয় তেন্তে এইটো মোৰ বাবে নিশ্চয় অপমান বহন কৰি আনিব।আৰু সেই অপমানক অনৰ্থক আপত্তি কৰি লুকাবৰ চেষ্টা কৰিলে সেয়া আৰু বেছিকৈ বৃদ্ধি পাব।চিৰঞ্জীৱ আল্লাহ মহা পৱিত্ৰ আৰু মহামণ্ডিত আল্লাহ যাৰ অধিনস্থ সকলো আছে।সেইজন ভণ্ডক কেতিয়াও সন্মান নকৰিব।

লেখৰাম পেশাৱৰীৰ প্ৰতি মোৰ কোনো ব্যক্তিগত ঘৃণা আছে বুলি মনত কৰা নিতান্ত ভুল। কোনোবাৰ প্ৰতি মোৰ কোনো ধৰণৰ ঘৃণা নাই।লেখৰাম জলন্ত সত্যৰ প্ৰতি শত্ৰুতা দেখুৱাইছে। আধ্যাত্মিক শক্তিৰ মহা উৎস সেই পূৰ্ণ আৰু পৱিত্ৰ মহা মানৱ (ছাঃ)ক তেওঁ আক্ৰমণ আৰু অপমান কৰিছে।সেই কাৰণে

আল্লাহ  তেখেতৰ গভীৰ ভালপোৱা আৰু প্ৰেমৰ পাত্ৰ মহানবী (ছাঃ)ৰ সন্মান প্ৰতিষ্ঠা কৰি দেখুৱাবৰ কাৰণে এই পৰিকল্পনা গ্ৰহণ  কৰিছে।যিসকলে  সত্যক অনুমান কৰে।তেখেতৰ ওপৰত শান্তি অৱতীৰ্ণ হওক।

শ্বেৰ ছৈয়দ আহমদ খান কেচি-এচ আই য়ে প্ৰদান কৰা ৰচিত কিতাপ
" আদ্দোৱা ওৱাল ইজতিজাবা"তাহৰিয়ৰ ফি উচুলিয়ত তফছিৰ
-ঃসমীক্ষা ঃ-

নিজৰ বিশেষ যুক্তিৰ দ্বাৰা কাৰাঘৰত আৱদ্ধ বন্দী তুমি সমৰ্থৰ নকৰিবা গৌৰৱ;

আশ্চৰ্য এই গম্ভুজৰ তলত তবজব কৰি বহুত জনে অতীতত পোৱা নাই ঠাই। সঠিক ভাৱে আল্লাহক চিহ্নিত নকৰি ঐশ্বৰিক ভৱনত প্ৰৱেশৰ চেষ্টা কৰা কোন সাহসত ?

ঐশ্বৰিক গোপন ভেদ প্ৰকাশ হয় মাথোন তেওঁৰ ওচৰত যিজনা খোদাৰ ফালৰ পৰা আহে।

কোৰাণৰ মৰ্ম স্পৰ্শ নিজে নিজে কৰা
এনেকুৱা চিন্তা নকৰিব ব্যৰ্থ অনৰ্থক
নিজৰ ফালৰ পৰা যিজনে অৰ্থ কৰি লয়;
পুতিগন্দ মৃত্যু পঁচা সেয়া অৰুচক।

ছৈয়দ চাহাবে উপৰোক্ত বৰ্ণনাত তেখেতৰ কিতাপত দোৱা সম্বন্ধে নিজৰ ধৰ্মীয় বিশ্বাস এনেদৰে উল্লেখ  কৰিছে যে দোৱা গ্ৰহণ হোৱাৰ অৰ্থ এইটো নহয় যে দোৱাত যি বিচৰা হৈছে সেয়াই আক্ষৰিক ভাৱে পোৱা যাব। কাৰণ দোৱাৰ মাজত যি খুজি থকা হয় বা বিচৰা হয় যদি বাস্তৱিকতে সেই বস্তুই গ্ৰহণ হৈ যায় তেন্তে দুটা অসুবিধাৰ সৃষ্টি হয়।(১) হাজাৰ হাজাৰ বিনম্ৰ প্ৰাৰ্থনা যি বৰকৈ অসহায় ও নিৰুপায় অৱস্থাত কৰি থকা হয় সেয়াও গৃহীত নহয় আৰু পাৰ্থিৱত পূৰ্ণও নহয়। ইয়াৰ দ্বাৰা বুজা যায়  যে দোৱা গ্ৰহণ কৰা হোৱা নাই বা গৃহীত হোৱা নাই। (২) যিবোৰ নিৰ্ধাৰণ হৈ আছে সেয়া পূৰ্বত নিৰ্ধাৰিত  ঘটনাৰ বাহিৰত তাৰ বিপৰীত ঘটনা সংগঠিত হোৱা সম্ভৱ নহয়, দোৱা গৃহীত হোৱাৰ অৰ্থ যদি পাৰ্থিৱ ও আকষ্মিক বস্তু

পোৱাক বুজায় তেনেহলে খোদা তায়লাৰ প্ৰতিশ্ৰুতি ادْعُوْنِيْٓ أَسْتَجِبْ لَكُمْ ۗ। অৰ্থাৎ মোৰ ওচৰত প্ৰাৰ্থনা কৰা নিশ্চয় মই উত্তৰ দিম। (৪০: ৬১) সেইবোৰ দোৱাৰ ক্ষেত্ৰত প্ৰয়োজন নহ'ব য'ত তকদিৰৰ লিখনি এনেকুৱাই হ'বই সেয়া নিৰ্ধাৰিত নহয়।ইয়াৰ পৰিপেক্ষিতত দোৱা গৃহীত হোৱাৰ এই সাধাৰণ প্ৰতিশ্ৰুতি বাতিল হৈ যায়।কিয়নো দোৱাৰ সেই অংশবোৰ গ্ৰহণ হয় যিবোৰ গ্ৰহণ হোৱাৰ পূৰ্বৰ পৰাই নিৰ্ধাৰিত আছিল। কিন্তু আল্লাহ তা'লাৰ অঙ্গীকাৰ অনুসৰি সকলোবোৰ দোৱা কোনো ধৰণৰ ব্যতিক্ৰম নোহোৱাকৈ সকলোবোৰ দোৱা গ্ৰহণ হোৱাটো নিশ্চিত। অথচ এফালে কোৰাণৰ এনেকুৱা কিছুমান আয়াত পোৱা যায় য'ত কোৱা হৈছে যিবোৰ নঘটিবৰ বাবে স্থিৰ হৈ আছে, সেয়া কেতিয়াও সংগঠিত নহ'ব। আনফালে কিছুমান আয়াতৰ জৰিয়তে সাব্যস্ত হয় যে কোনো দোৱা প্ৰত্যাখান কৰা নহয়। সকলোবোৰ দোৱা গ্ৰহণ কৰা হয়। কেৱল মাত্ৰ এয়াই নহয় বৰং খোদা তা'লা সকলো ধৰণৰ প্ৰাৰ্থনা গ্ৰহণ কৰাৰ অঙ্গীকাৰ দিছে বুলিও সাব্যস্ত হয় বা প্ৰমাণীত হয় যেনে: খোদা তা'লা কৈছে, মোৰ ওচৰত প্ৰাৰ্থনা কৰা ,নিশ্চয় মই গ্ৰহণ কৰিম।কিন্তু এই আয়াতসমূহত পৰস্পৰ বিৰোধীতা দেখিবলৈ পোৱা যায় এই পৰস্পৰ বিৰোধীতাৰ পৰা হাতসাৰিবলৈ এটা উপায় আছে।সেয়া এই যে দোৱাক এবাদত ৰূপে গ্ৰহণ কৰা। দোৱা গ্ৰহণ কৰাৰ অৰ্থ হ'ল যে আল্লাহ তা'লা ইয়াক নিচুক এবাদত হিচাপে গ্ৰহণ কৰি লয়। অৰ্থাৎ দোৱা এবাদতৰ বাহিৰে বেলেগ কিছু নহয়। যদি এই দোৱাৰ কাম ও কৰ্ম অতিকৈ নম্ৰতা দ্বীনতা ,আত্মবিনিষ্ঠ সহকাৰে সম্পূৰ্ণ কৰা হয়, তেন্তে আল্লাহৰ প্ৰতিশ্ৰুতি অনুসৰি এয়া এবাদত ৰূপে গ্ৰহণ হ'ব।এনেকি এই উপাসনাৰ কাৰণে আধ্যাত্মিক পুৰস্কাৰ লাভ কৰিব পাৰিব। সেয়েহ যি প্ৰাপ্তি ঘটিব বুলি পূৰ্বৰ পৰা নিৰ্ধাৰণ হৈ আছে, যদি সেয়াই ঘটনাক্ৰমে দোৱাৰ মাধ্যমেৰে বিচৰা হয়,তেন্তে পোনপোটীয়াকৈ বা আক্ষৰিক ভাৱে দোৱা গ্ৰহণ হয়। দোৱাৰ মাজত এনেকুৱা মঙ্গল নিহিত হৈ আছে যে দোৱা খোদাৰ মহাত্মা ও মহা শক্তি অনুভৱ কৰিবলৈ সাহায্য কৰি থাকে।হৃদয়ৰ এনেকুৱা ভাৱ গভীৰ প্ৰশান্ত সক্ৰীয় হৈ অসহায়তা আৰু ব্যাকুলতাৰ মনভাৱ আঁতৰ কৰে।খোদা নিৰ্ভৰ ধৈৰ্য্য আৰু কবুলিয়তাৰ ভাৱ জগাই মনত প্ৰশান্তি দিয়ে।

মনৰ এই প্ৰশান্তিৰ অৱস্থা আচলতে ভক্তি বিনয়ীৰ ফল। আৰু ইয়াৰ নাম

হ'ল কবুলিয়তে দোৱা। সেয়ে ছৈয়দ চাহাব তেখেতৰ পুস্তকত কয় যে দোৱাৰ প্ৰকৃত তাৎপৰ্য সম্বন্ধে যিসকলে অজ্ঞ আৰু যিয়ে দোৱাৰ অন্ত নিহিত ভেদ সম্বন্ধে অৱগত নহয় সিহঁতে প্ৰশ্ন কৰিব যে যিটো নহ'ব বা নোহোৱা বুলি নিৰ্ধাৰিত হৈ আছে সেইটো কোনো প্ৰকাৰেই কেতিয়াও নহ'ব।যদি এইটোৰ কাৰণে এনেকুৱা হয় তেনেহলে দোৱা কৰাৰ লাভ নো কি ? যি হ'বলগীয়া সেয়া হ'বই আৰু যিটো নোহোৱা নিৰ্ধাৰিত সেয়া কেতিয়াও নহ'ব।তেনহলে দোৱা বা প্ৰাৰ্থনা কৰা অনৰ্থক কাম নহ'বনে ? এই প্ৰশ্নৰ প্ৰতিউত্তৰত ছৈয়দ চাহাবে কয় যে অসহায় অৱস্থাত সাহায্যৰ কাৰণে দোৱা কৰা মানুহৰ স্বভাৱগত বৈশিষ্ট। গতিকে মানুহে স্বভাৱৰ চাহিদা পুৰনাৰ্থে দোৱা কৰে।বৰং দোৱা গ্ৰহণ হ'ব নে নহ'ব সেয়া ভৱাচিন্তা নকৰাকৈ মানুহে দোৱা কৰি থাকে, সিহঁতৰ স্বভাৱে বৈশিষ্টৰ চাহিদা অনুসৰি তেখেতক কেৱলমাত্ৰ খোদাৰ ওচৰত দোৱাকাৰীতা বুলি কোৱা হৈছে।

ছৈয়দ চাহাবৰ উক্ত সাৰাংশ মই যি বৰ্ণনা কৰিছোঁ তাৰ পৰা স্পষ্ট বুজা যায় যে ছৈয়দ চাহাবৰ মতে প্ৰাৰ্থনা বা দোৱা উচ্চমাৰ্গ লাভৰ কোনো কাৰ্যকৰী উপায় নহয়।উদ্দেশ্য পূৰ্ণ কৰিবৰ ক্ষেত্ৰত দোৱাৰ কোনো ভূমিকা বা প্ৰভাৱ নাই। যদি কোনো দোৱা কৰোঁতা দোৱাৰ জৰিয়তে কোনো উচ্চমাৰ্গৰ লক্ষ্য অৰ্জন কৰিব খোজে তেনেহলে তেওঁ অনৰ্থক দোৱা কৰে,কিয়নো যি হ'বলগীয়া সেয়া হ'বই এনেকি দোৱা নকৰাকেই হ'ব। আৰু যিটো নোহোৱা সেইটোৰ কাৰণে বিনম্ৰতাৰে তাৰ একান্তচিত্তে দোৱা কৰিলেও নহ'ব।মুঠ কথা হ'ল ছৈয়দ চাহাবৰ বক্তব্যৰ পৰা এয়া স্পষ্ট হৈ যায় যে দোৱা কৰাটো উপাসনাৰ এটা পদ্ধতি মাথোন।দোৱাৰ জৰিয়তে অভিষ্ট সিদ্ধিৰ চিন্তা কৰাটো একেবাৰেই অবাস্তৱ।উল্লেখ আছে যে ছৈয়দ চাহাব কোৰাণ শ্বৰিফৰ যি আয়াতসমূহ উল্লেখ কৰিছে।সেইবোৰৰ তাৎপৰ্য্য বুজিবলৈ ভুল কৰিছে।মোৰ প্ৰবন্ধৰ শেষাংশত ইনশা আল্লাহ সেই ভ্ৰমৰ সংশোধন কৰিম। ইয়াত মই দুঃখৰ সৈতে কেৱল মাথোন ইমানখিনি ক'ব বিচাৰো যে ছৈয়দ চাহাব কোৰাণৰ আয়াতৰ তাৎপৰ্য্য বুজিবৰ ভুল নকৰিবও পাৰে; কিন্তু এই বিষয় বস্তুৰ লগত প্ৰাকৃতিৰ বিধান যে ওত পোঃত ভাৱে জড়িত হৈ আছে।এই ৰচনা লিখাৰ সময়ত সেই কথা তেওঁ কেনেকৈ পাহৰি গ'ল।তেওঁ এই প্ৰাকৃতিক বিধানৰ কথা সদায় উচ্চাৰণ কৰি থাকে। এনেকি সি এইটোও মনত কৰে যে প্ৰাকৃতিক বিধানৰ জৰিয়তে আল্লাহ তা'লা উদ্দেশ্য কাৰ্য্যত জ্ঞাত হ'ব পৰা যায়। আৰু আল্লাহৰ পৱিত্ৰ

কিতাপৰ অন্তনিহিত তত্ত্বৰ তাৎপৰ্য্য অনুভৱ কৰিবলৈ প্ৰাকৃতিক নিয়মাৱলীক তেওঁ সাক্ষী হিচাপে গন্য কৰে। ছৈয়দ চাহাবে এয়া নিশ্চয় জানে যে যদিও এক কথাত সুফল-কুফল আদি পূৰ্বৰ পৰাই নিৰ্ধাৰিত তদুপৰি প্ৰাকৃতিক তত্ত্বৰ উপায় আৰু উপকৰণৰ জৰিয়তেই আমি সেই সুফল-কুফল পৰ্যন্ত পৌছাব পাৰো। আৰু এই উপায় উপকৰণৰ আৰু নিয়ম প্ৰণালীৰ পদ্ধতি অৱলম্বনৰ যতাৰ্থতা সম্বন্ধে কোনো বুদ্ধিমান লোক সন্দেহ পোষণ নকৰে। উদাহৰণ স্বৰূপে ক'ব পৰা যায়,যি হ'বলগীয়া সেয়া হ'বই। এই ধৰণৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ গৈ ঔষধ প্ৰয়োগ কৰা নকৰা যেনেদৰে আৰোগ্যৰ বাবে দোৱা কৰা বা নকৰা ঠিক একেই।সেই বুলি ছৈয়দ চাহাবে এই কথাও ক'বনে যে ঔষধ বিজ্ঞান মিছা সৰ্বজ্ঞ সৰ্বজ্ঞানী আল্লাহ্ তা'লা ঔষধৰ ভিতৰত কোনো গুণাৱলী ৰখা নাই নে ? ছৈয়দ চাহাব তকদিৰ বিশ্বাসী সেয়া সত্ত্বেও তেওঁ ঔষধৰ নিৰাময় ক্ৰীয়াও বিশ্বাস কৰে সেয়া সত্ত্বেও আল্লাহ্‌ৰ বিধানৰ এই দুটা সাদৃশ্য অংশৰ মাজত তেওঁ কিয় পাৰ্থক্য কৰে।এই দুয়োটা সমসাময়িক নহয়নে ?

ছৈয়দ চাহাবে এয়া মনত কৰেনে যে আল্লাহ তা'লা ট্ৰেপিথাম, স্কামোনীয়া,ছিনা,আৰু ক্ৰোটন বীজত কোষ্ঠ পৰিষ্কাৰৰ ক্ষমতা আৰু উপকৰণ ৰাখিছে।আৰ্চেনিক,একোনাইট আৰু অন্যান্য বিষৰ মাজত মৃত্যুৰ উপকৰণ ৰাখিছে।যিটোক অতি বেছি খালে কেই মিনিটত মৃত্যু হৈ যাব পাৰে।সেই খোদা তা'লাৰ কোনো শক্তি নাইনে ? যিয়ে দোৱাৰ মাজতো আৰোগ্যৰ উপকৰণ ৰাখে। সেই সকল প্ৰিয় ভৃত্য দোৱাৰ ভিতৰতও নহয়নে ? যি খোদাক ব্যাকুলতাৰ সৈতে মাতি থাকে আৰু বিনম্ৰতাৰ সৈতে মাতে এনেকৈ নিজকে হেৰুৱাৰ উপক্ৰম হৈ প্ৰাণ ত্যাগীও মাতে। এনেধৰণৰ মানুহৰ দোৱা কি প্ৰাণহীন আৰু অৰ্থহীন বুলি ক'ব পাৰিনে ?

ঐশ্বৰিক নিয়ম পৰস্পৰ বিৰোধী নহয়।তেনেহলে এইটো কেনেকৈ সম্ভৱ যে সৰ্বত্তম জীৱৰ উপকাৰৰ অৰ্থে খোদা তা'লা ঔষধ আদিৰ মাজত উপকাৰ সাধনাৰ্থে বহু গুণাৱলী ৰাখিছে।সেই খোদা তেনেকুৱা গুণাৱলী দোৱাৰ মাজত ৰখা নাইনে ? নহয়! নহয়! কেতিয়াও নহয় এনেকুৱা কেতিয়াও হ'ব নোৱাৰে।

সঁচা কথা এয়া যে ছৈয়দ চাহাব দোৱাৰ সঠিক তত্ত্ব ভালদৰে বুজিব পৰা নাই। দোৱাৰ অসাধ্য সাধনকাৰী কাৰ্যকৰী সম্বন্ধে তেওঁৰ ব্যক্তিগত কোনো ধৰণৰ

অভিজ্ঞতা নাই বুলি ক'ব পৰা যায়।যাৰ উদাহৰণ সময়ৰ উত্তীৰ্ণ এবিধ ঔষধৰ নমুনা, যিটোৱে এটা যুগৰ আৰোগ্যকাৰীৰ শক্তি হেৰুৱাই পেলাইছিল। এনেকুৱা ঔষধ ব্যৱহাৰ কৰোঁতে ব্যক্তিৰ দৰেই তেওঁ এইটো অকাৰ্য্যকৰ পাইছে। এনে ধৰণৰ ঔষধ পালেই তেওঁ মনত কৰে যে ঔষধ হলেই অকাৰ্য্যকৰ হয়। অনুতাপৰ বিষয় এয়া যে ছৈয়দ চাহাব বাধ্যকত উপনীত হৈছে। কিন্তু বিশ্বব্ৰমাণ্ডৰ নিয়মাৱলী কেনেদৰে কাৰ্য্যকৰী হৈ আছে। সেয়া তেওঁ হৃদয়ৰ চকুৰে নেদেখে।এই ঐশ্বৰিক নিয়মাৱলী কিমান যে নিখুঁতাৰে প্ৰতিষ্ঠিত ইয়াৰ কাৰ্য্যকলাপ পৰস্পৰ পৰস্পৰৰ লগত কেনেধৰণৰ গভীৰ সত্যৰ বান্ধনত কেনেদৰে সম্বন্ধযুক্ত হৈ আছে সেয়া ছৈয়দ চাহাবে নেজানে,এই কাৰণে তেওঁ সহজতে অন্ধবিশ্বাসত বিশ্বাসী হৈছে যে প্ৰাকৃতিক নিয়মৰ দ্বাৰা প্ৰতিষ্ঠিত জাগতিক বা আধ্যাত্মিক উপায় উপকৰণ ব্যতিক্ৰমত ফলৱন্ত হৈয়ে থাকে।

আমি জানো যে জগতখন তকদিৰেৰে ভৰপুৰ, ইয়াৰ প্ৰতিটো বস্তুত অপৰিৱৰ্তনী মৌলিক গুণাৱলী আছে। জুই,পানী, বায়ু, মাটি,চাউল,ডালি,ঘেঁহু,গছ-লতা,জীৱ-জন্তু,ধাতু দ্ৰব্য,খনিজ দ্ৰব্য ইত্যাদি যিবোৰ আমি সদায় ব্যৱহাৰ কৰি থাকো। আৰু এইবোৰ ব্যৱহাৰ কৰিব হলে এইবোৰৰ উপযোগী উপায় আৰু পৰিপন্থা যিটো আল্লাহ তা'লাই নিৰ্ধাৰণ কৰি দিছে,সেই উপায় আৰু পন্থা অৱলম্বন কৰো। প্ৰকৃতিৰ উপায় উপকৰণক এৰি দিয়াৰ প্ৰয়াস কৰাটো মুৰ্খামিৰ বাদে আৰু একোকে নহয়। দ্ৰব্যৰ নিৰ্দিষ্ট গুণা-গুণ প্ৰাকৃতিক নিয়মৰ অঙ্গ,তেনেদৰে সেই গুণা-গুণৰ লগত বাহ্যিক বা আভ্যন্তৰিণ উপায় উপকৰণ সম্পৰ্ক প্ৰাকৃতিক বিধানৰ অঙ্গ। এই উপায় উপকৰণৰ কাৰ্যকৰ অস্বীকাৰ কৰা বা অমান্য কৰা আৰু প্ৰাকৃতিক নিয়মৰ অন্ত নিহিত শক্তিক অমান্য কৰা একেই কথা।ছৈয়দ চাহাব যি ক'ব খোজে সেয়া এনেধৰণৰ; সকলো উপায় অৱলম্বনৰ পাছত অৱশিষ্ট সিদ্ধিৰ ব্যৱস্থা আছে।দোৱা অৱশিষ্ট লাভৰ কোনো উপায় নহয়। এই কথাটোৱে ছৈয়দ চাহাবৰ ৰচনায় চুড়ান্ত ৰূপ ধাৰণ কৰিছে।তেওঁ জুইৰ গুণাৱলীক অস্বীকাৰ নকৰে,তেওঁ এই কথাষাৰ নিশ্চয় জোৰ নিদিব যে যিজন ব্যক্তি জুইত পুৰি যোৱাৰ কথা সেয়া ভাগ্যত আছে।তেওঁ বিনা জুইত অগ্নিদগ্ধ হ'ব,দোৱা এই জুইৰ দৰে কাৰ্যকৰী তাৰ ক্ষমতা নাৰাখেনে ? খোদা তা'লা দোৱাৰ ভিতৰত ইমানখিনি গুণা-গুণ ৰখা নাইনে ? যেতিয়া চাৰিওফালে এন্ধাৰত আৱদ্ধ দেখিবলৈ পোৱা যায় তেতিয়া দোৱা আমাক পোহৰৰ বাট মুকলি

কৰি নিদিয়েনে ? এজন মুছলমান হিচাপে তেওঁ সেয়া কেনেকৈ অস্বীকাৰ কৰিব পাৰে। ভাগ্যৰ নিয়মাৱলী কেৱল দোৱাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা আৰু অগ্নিৰ ক্ষেত্ৰত প্ৰয়োগ নকৰা  সঠিক নহয়।কাজা কদৰৰ (তকদিৰৰ) নিয়মাৱলী উভয় ক্ষেত্ৰত সমান ভাৱে প্ৰযোজ্য বা প্ৰয়োজন নহয়নে ? তকদিৰৰ প্ৰতি ছৈয়দ চাহাবৰ বিশ্বাস থকা সত্ত্বেও  সিহঁত অন্যান্য ক্ষেত্ৰত উদ্দেশ্য সাধনৰ কাৰণে বিভিন্ন পন্থা অৱলম্বন কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। বৰং সু-সঠিক পন্থা ও পদ্ধতি অৱলম্বনৰ ক্ষেত্ৰত তেওঁ ইমান বেছি পক্ষ্যপাতি যে তেওঁ এই সম্পৰ্কে ইমান কুখ্যাতি অৰ্জন কৰিছে বুলি কলেও ভুল নহ’ব। এয়া সত্ত্বেও তেওঁ দোৱাক কিয় এৰি দিয়ে। এই বিধানত অন্যান্য  সকলোবোৰ ৰাখি কেৱল দোৱাক এৰি দিয়া নাযায়। এটা মাখিৰ ভিতৰত কিছু নহয় কিছু শক্তি বা গুণ আছে। অথচ দোৱাৰ মাজত কোনো ধৰণৰ শক্তি নাইনে ?তেওঁৰ মতে দোৱা একোৱে কৰিব নোৱাৰে।সত্য এয়া যে ছৈয়দ চাহাবে নেজানে যে দোৱা কি কৰিব পাৰে। এই সম্পৰ্কে তেওঁৰ নিজা কোনো অভিজ্ঞতা নাই,এনেকি দোৱা সম্বন্ধে প্ৰত্যেকেই অভিজ্ঞতা ৰাখে এনেধৰণৰ অভিজ্ঞতা সম্পূৰ্ণ ব্যক্তিৰ লগত তেওঁ উঠা-বহাও নকৰে।এতিয়া আমি জনসাধাৰণৰ উপকাৰণাৰ্থে দোৱা গ্ৰহণ হোৱা বুলিলে কি বুজায় ?সেয়া ভাৰি চাওঁ আহা! এই কথাটো স্পষ্ট কৰি দিয়া দৰকাৰ যে দোৱা গ্ৰহণযোগ্য হোৱাৰ সম্পৰ্কটো দোৱাৰ সামগ্ৰীক বিষয়টোৰ এটা অঙ্গ মাথোন।সেয়েহে নিয়ম অনুসৰি দোৱা নো কি সেয়া প্ৰথমে বুজাৰ প্ৰয়োজন।এয়া নুবুজিলে দোৱা গ্ৰহণযোগ্য হয় সেয়াও আমি বুজিব নোৱাৰিম।কেৱল অস্পষ্টতা আৰু ভুল ভ্ৰান্তীয়ে মূৰ দাঙি উঠিব আৰু আমাৰ বুজিবৰ পথত বাধাৰ সৃষ্টি কৰিব। আৰু ছৈয়দ চাহাবৰ ক্ষেত্ৰত এইটোই ভুল বুজাবুজিৰ কাৰণ আছিল।

দোৱা কি ? আল্লাহ আৰু আল্লাহৰ সৰল আৰু নেক ভৃত্যৰ মাজত পাৰস্পাৰিক আকৰ্ষণ সুলভ ইতিবাচক সম্পৰ্কৰ আন এটা নাম হ’ল দোৱা।আল্লাহৰ দয়া ও কল্যাণে ভৃত্যক আল্লাহৰ ফালে আকৰ্ষণ কৰে,ভৃত্য যিমান কৃতজ্ঞতাৰ সৈতে আৰু আন্তৰিকতাৰ সৈতে খোদাক আহ্বান কৰে আল্লাহ সিমানেই তাৰ মহিম ভৃত্যৰ কাষ চাপি আহে। দোৱাৰ জৰিয়তে আল্লাহ আৰু ভৃত্যৰ মাজত এক বিশিষ্ট গুণ ধাৰণ কৰে, যিয়ে আচৰিত ধৰণৰ ফলাফল সৃষ্টি কৰে।ধৰি লোৱা হ’ল এজন মানুহে ডাঙৰ বিপদত পৰিছে। তেওঁ পূৰ্ণ বিশ্বাস,পূৰ্ণ আশ্বাস,প্ৰেমপূৰ্ণ ভক্তি আনুগত্য সৎ সাহক আৰু ভৰসাৰ সৈতে  আল্লাহৰ ফালে মনোনিৱেশ কৰিল।তেওঁ এক অস্বাভাৱিক

অনুভূতিৰ চেতনা লাভ কৰিব।তেওঁৰ উদাসীনতা আত্মিক ভুল ভাৰ নাইকীয়া হৈ যাব।আৰু অপকৰ্মৰ ভাৰ ধাৰাৰ পৰ্দা ভেদ কৰি আত্মবিশ্বাসৰ ময়দানত প্ৰৱল বেগেৰে আগবাঢ়ি যাব। আৰু তাৰ পৰিৱৰ্তে নিজকে আল্লাহৰ কাষত পাব।আল্লাহৰ কাষত তেতিয়া বেলেগ কোনো ব্যক্তি বা বস্তুক দেখিবলৈ পোৱা নাযাব। মাথোন আল্লাহক দেখিবলৈ পোৱা যাব। সেইজনৰ আত্মা আল্লাহৰ সৈতে এনেদৰে মিলিত হোৱা দেখিবলৈ পোৱা যাব যে সেয়া আকৰ্ষণীয় শক্তি তেওঁক দান কৰা হৈছিল।সেইটোৱে আল্লাহৰ মাজত সুন্দৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব। তেওঁ আল্লাহৰ দয়াক নিজৰ ফালে আকৰ্ষণ কৰিব পাৰিব।সৰ্বশক্তিমান আল্লাহ তেতিয়া সেইজন ভৃত্যৰ পাৰ্থিৱ বিষয়াৰ প্ৰতি ধ্যান দিব আৰু দোৱাৰ ফল সৃষ্টি কৰা আৰম্ভ কৰি দিব।প্ৰথম ফল এইটো হ'ব যে উচ্চমাৰ্গলৈ পৌছাবৰ কাৰণে যি উপায় উপকৰণৰ প্ৰয়োজন সেইবোৰ একত্ৰিত হ'ব ধৰিছে। যদি বৰষুণৰ প্ৰয়োজনীয়তাৰ কাৰণে দোৱা কৰা হয়।তেন্তে দোৱা বৰষুণৰ উপায় উপকৰণৰ সমাবেশ সংগঠিত হ'ব।দোৱাৰ কাম হ'ল স্বাভাৱিক উপায়বোৰৰ সন্নিবেশ গঠিত কৰা।দুৰ্ভাগ্য সৃষ্টিৰ কাৰণে দোৱা কৰিলে সৰ্বশক্তিমান আল্লাহ দুৰ্ভিক্ষ বা দুৰ্যোগ সৃষ্টিৰ কাৰণে যি সমূদয় সংশ্লিষ্ট অৱস্থাৰ দৰকাৰ সেই অৱস্থাবোৰৰ সমাবেশ ঘটাব।আধ্যাত্মিক জ্ঞান আৰু অভিজ্ঞতা সম্বন্ধে যিসকলে জানে আৰু আৰু যিসকলে আধ্যাত্মিকতাৰ সাফল্য লাভ কৰিছে।তেখেত নিজৰ পূৰ্ণ অভিজ্ঞতাৰ মাধ্যমত জনাইছে যে পূৰ্ণ বিশ্বাসী ব্যক্তিৰ পৰিপূৰ্ণ দোৱাৰ ফলত সৃজনী শক্তি দান কৰা হয়।

আল্লাহৰ অনুমতিক্ৰমে তেখেতৰ দোৱা পাৰ্থিৱ আৰু আধ্যাত্মিক জগতত উজ্জ্বলতা সৃষ্টি কৰে। তেতিয়া বতাহ,বায়ু অগ্নি,পানী মাটি আকাশমণ্ডল, মানৱহৃদয়সকলোৱে পাৰ্থিৱ আশা আকাঙ্খাৰ বাটত পৰিচালিত হয়।আল্লাহৰ পৱিত্ৰ গ্ৰন্থসমূহত এনে ঘটনাৰ উদাহৰণৰ অভাৱ নাই।যি ঘটনাসমূহক আমি মুজেজা (নিদৰ্শন)বুলি কওঁ।সেই ঘটনাসমূহৰ অধিকাংশ ঘটনা দোৱা গ্ৰহণ হোৱাৰ দৃষ্টান্ত বা উদাহৰণ। নবীসকলৰ, অলীসকলৰ হেজাৰ হেজাৰ মুজেজা (নিদৰ্শন)যিবোৰ পৃথিৱীত আজিলৈকে দেখিব পৰা যায়। সেইবোৰৰ উৎস হ'ল দোৱা।দোৱা মহামণ্ডিত প্ৰতিপালক প্ৰভু আল্লাহ তা'লাৰ সাৰ্বভৌম ক্ষমতাক প্ৰকাশ কৰি দেখুৱায়। আৰু মুজেজাসমূহ তাৰে উৎকৃষ্ট উদাহৰণ। আৰবৰ মৰুপ্ৰান্তত কি ঘটিছিল? ঘটিছিল ভয়াবহ বিপ্লব।এটা জাতি সংখ্যাত কেই লাখমান হ'ব যিসকলে নৈতিক আৰু

আধ্যাত্মিক ফালৰ পৰা মৃত  আছিল।অলপ কেইদিনৰ  ভিতৰত সিহঁত নৈতিক আৰু আধ্যাত্মিকতাৰ শক্তিৰ পৰা মহা শক্তিশালী হৈ উঠিছিল।যিসকল বংশ পৰম্পৰাত দুর্নীতি আৰু দুস্কাৰিতা আৰু কঠোৰ হৃদয়ৰ আছিল।সিহঁত পৱিত্ৰ চৰিত্ৰৰ অধিকাৰী হৈ গৈছিল।অন্ধসকলে তেতিয়া দেখিব পাৰিলে যে যিসকল বোবা আছিল সিহঁতে পৃথিৱীৰ বুকুত ঐশী সত্যৰ প্ৰচাৰ কৰি আছে।এনেকুৱা এটা মহা বিপ্লব সংগঠিত হ'ল যি ইতিপূৰ্বে কোনেও কেতিয়াও দেখা নাছিল আৰু শুনাও নাছিল। আপুনি  জানেনে সেয়া কি আছিল? সেয়া  আল্লাহৰ খাতিৰত নিজকে উচ্ছৃৰ্গাকাৰী অন্ধকাৰ ৰাতিৰ দোৱা আছিল।যিয়ে বিশ্ববাসীক  হতবিম্ব কৰি দিছে। আৰু  আচৰিত ধৰণৰ কথা যি সেই পঢ়া-শুনা নকৰা অৱস্থাত সেয়া দেখাত অসম্ভৱৰ নিচিনা আছিল।

اللهم صل و سلم و بارک علیه و آله بعدد همه و غمه و حزنه لهٰذه الامة و
انزل علیه انوار رحمتک الی الابد

আৰু মই নিজৰ অভিজ্ঞতাত চাই আছো যে দোৱাৰ প্ৰভাৱ পানী আৰু তাপৰ প্ৰভাৱতকৈ বেছি। অৰ্থাৎ পদাৰ্থবিজ্ঞানৰ সম্বন্ধত কোনো বস্তু  এনেকুৱা মহান প্ৰভাৱ পেলাব নোৱাৰে যেনেকুৱা দোৱা প্ৰভাৱ পেলাব পাৰে।

যদি এয়া সন্দেহ  হয় যে কিছুমান দোৱা পাপ হৈ  যায় আৰু তাৰ কোনো প্ৰভাৱ নহয় তেতিয়া মই কওঁ যে এনেকুৱা অৱস্থা ঔষধৰ ক্ষেত্ৰতো হয়। ঔষধ মৃত্যুৰ দুৱাৰ বন্ধ কৰি দিছেনে বা সেয়া কাৰ্যকাৰী হোৱা অসম্ভৱ? কিন্তু এই কথা সত্ত্বেও যে তাৰ প্ৰভাৱৰ পৰা অস্বীকাৰ কৰিব পাৰে? এয়া সত্য যে প্ৰত্যেক কামৰ সৈতে তকদিৰ আৱৰণ হৈ থাকে। কিন্তু তকদিৰ জ্ঞানক বিনষ্ট আৰু অসন্মানী নকৰে আৰু কাৰণক অনিৰ্ভৰযোগ্য কৰি নেদেখুৱায়। যদি চিন্তা-ভাৱনা কৰি চোৱা, তেন্তে এয়া শাৰিৰীক আৰু আধ্যাত্মিক কাৰণও তকদিৰৰ বাহিৰত নহয়। উদাহৰণস্বৰূপ, যদি এটা ৰোগৰ তকদিৰ পুণ্য হয় তেতিয়া চিকিৎসাৰ কাৰণ সম্পূৰ্ণ ভাৱে সহজ হৈ যায় আৰু শৰীৰৰ অৱস্থাও এনেকুৱা স্থান গৈ পায় তেওঁ তাৰ পৰা লাভবান হোৱাৰ বাবে প্ৰস্তুত হৈ যায়।তেতিয়া ঔষধ চিকাৰৰ নিচিনা গৈ প্ৰভাৱ পেলাব।এয়া নিয়ম দোৱাৰ ফলতো হয়।অৰ্থাৎ  দোৱাৰ কাৰণে সকলোবোৰ কাৰণ আৰু চৰ্তসমূহ গ্ৰহণযোগ্য সেই স্থানত গৈ একত্ৰিত হয় য'ত আল্লাহৰ ইচ্ছা

সেইটোক গ্রহণ কৰাৰ কাৰণে হয়।খোদা তা'লা নিজৰ শাৰীৰিক ব্যৱস্থাপনা আৰু আধ্যাত্মিকক এটা প্রভাৱশালী শৃঙ্খলাত বান্ধি ৰাখিছে। অর্থাৎ ছৈয়দ চাহাবৰ এয়া ভুল যে তেওঁ শাৰীৰিক ব্যৱস্থাপনাক স্বীকাৰ কৰে কিন্তু আধ্যাত্মিক ব্যৱস্থাপনাক অস্বীকাৰ কৰে।

অৱশেষত মই এয়া কোৱা প্রয়োজনবোধ কৰো যে যদি ছৈয়দ চাহাব নিজৰ ভুল ধাৰণাৰ অনুতাপ নকৰে আৰু এয়া কয় যে দোৱাৰ প্রভাৱৰ প্রমাণ কি ? মই এনেকুৱা ভুল দাঙি ধৰাৰ বাবে নিযুক্ত হৈছো।মই প্রতিশ্রুতি দিওঁ যে নিজৰ কিছুমান দোৱা গ্রহণ হোৱাৰ পূর্বতে ছৈয়দ চাহাবক অৱগত কৰিম। আৰু মাথোন অৱগতই নহয় বৰং প্রকাশও কৰিম। কিন্তু ছৈয়দ চাহাবে এয়া স্বীকাৰ কৰিব যে মোৰ দাবী প্রমাণীত হৈ যোৱাৰ পিছত তেওঁ নিজৰ ভুল ধাৰণাৰ পৰা উভতি আহিব। ছৈয়দ চাহাবৰ কথা এয়া যে কোৰাণ কৰিমত খোদা তা'লাই সকলোবোৰ দোৱা গ্রহণ কৰাৰ প্রতিশ্রুতি দিছে,অথচ সকলোবোৰ দোৱা গ্রহণযোগ্য নহয়,এয়া তাৰ বুজাৰ ভুল। আৰু এই আয়াত “উদয়ুনী আছতাজিব লাকুম” (৪০:৬১) এই আয়াতত কাম কৰাৰ বাবে কোৱা হৈছে, ইয়াৰ অর্থ সাধাৰণ দোৱা নহয়। অর্থাৎ সেই উপাসনা হয় যি মানুহৰ বাবে ফৰজ কৰা হৈছে। কাৰণ আদেশবাচক অধ্যায় ইয়াত বাধ্যতামূলকৰ ওপৰত প্রমাণীত কৰে। আৰু প্রকাশ্য যে সকলো দোৱা ফৰজ বুলি গন্য নহয়। অর্থাৎ কিছুমান ঠাইত আল্লাহ তা'লা ধৈর্য্যশীল সকলৰ প্রশংসা কৰিছে যি ইন্না লিল্লাহিৰ ওপৰত যথেষ্ট বুলি গন্য কৰে। আৰু দোৱা বাধ্যতামূলক হোৱাৰ ডাঙৰ প্রসঙ্গ এয়া যে মাথোন আদেশবাচকৰ ওপৰতেই যথেষ্ট বুলি কোৱা হোৱা নাই অর্থাৎ সেয়া ইবাদতৰ শব্দৰে স্মৰণ কৰি অমান্য কৰা অৱস্থাত খোদা তা'লাৰ শাস্তিৰ প্রতিশ্রুতি ইয়াৰ সৈতে সংলগ্ন কৰি দিয়া হৈছে। আৰু প্রকাশ্য যে বেলেগ দোৱাত এই প্রতিশ্রুতি দিয়া হোৱা নাই। অর্থাৎ কোনোবা সময়ত নবীসকলক দোৱা খোজাত সতর্কতা আৰু উপদেশ কৰি দিয়া হৈছে। অর্থাৎ “ইন্নি আয়িজুকা আন তাকুনা মিনাল জাহিলিন” (চুৰা হুদ আয়াত ৪৭)। ইয়াৰ পৰা পৰিষ্কাৰ যে যদি সকলোবোৰ দোৱা এবাদত হয় তেন্তে হজৰত নুহ (আঃ)ক “লা তাছআলনি”ৰ চাবুক কিয় লগোৱা হয়! আৰু কেতিয়াবা আউলিয়া আৰু নবীসকল দোৱা কৰাক বেয়া আদব বুলি ভাৱিছে আৰু পুণ্যবানসকলে এনেকুৱা দোৱাত হৃদয়ৰ তৃপ্তিৰ ওপৰত কার্যকৰী কৰিছে।অর্থাৎ যদি অসুবিধাৰ সময়ত হৃদয়ে দোৱা কৰাৰ ফতোৱা

দিয়ে তেন্তে দোৱাৰ ফালে আকৃষ্ট হ’ব। আৰু যদি ধৈৰ্য্যৰ ফতোৱা দিয়ে তেন্তে ধৈৰ্য্য ধৰিব আৰু দোৱাৰ পৰা পৰামূখ হ’ব। এইটোৰ বাহিৰে যে আল্লাহ তা’লা দোৱা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়া নাই বৰং স্পষ্টকৈ কৈ দিছে যে ইচ্ছা কৰিলে গ্ৰহণ কৰো আৰু ইচ্ছা কৰিলে গ্ৰহণ নকৰো,যেনেকুৱা কোৰাণ কৰিমৰ এই আয়াতৰ পৰা স্পষ্ট হৈ যায়,“বাল ইয়াহু তাদয়ুনা ফাইয়াকশিফু মা তাদয়ুনা ইলায়হি ইন শ্বাআ” (চুৰা আল আনাম আয়াত ৪২) আৰু যদি আমি “তানাজ্জুলান” মানিও লও যে এই স্থানত শব্দ “উদয়ু” ৰ অৰ্থ সাধাৰণতে দোৱা হয় তেন্তে আমি এই কথা মান্য কৰাত কোনো ধৰণৰ উপায় দেখিবলৈ নাপাও যে ইয়াত দোৱাৰ অৰ্থ সেই দোৱা  যি চৰ্তসমূহৰ সৈতে একত্ৰিত হয়। আৰু সকলোবোৰ চৰ্তসমূহ একত্ৰিত কৰি লোৱা মানুহৰ দ্বাৰা সম্ভৱত নহয় যেতিয়ালৈকে আল্লাহৰ তৌফিক নহয়,আৰু  এয়াও স্মৰণ ৰখা আৱশ্যক যে দোৱা কৰাত কেৱল ক্ৰন্দন কৰাই যথেষ্ট নহয়,বৰং তাকৱা (আল্লাহ ভীতি), পৱিত্ৰতা,পৰিপূৰ্ণ বিশ্বাস আৰু পৰিপূৰ্ণ ভালপোৱা  আৰু পৰিপূৰ্ণ ধ্যান আৰু এয়া যে যি ব্যক্তি নিজৰ কাৰণে দোৱা কৰে বা কোনোবাৰ কাৰণে দোৱা কৰে তাৰ পৃথিৱী আৰু আখিৰাতৰ কাৰণে এই কথা অৰ্জিত হোৱা ঐশী সংশোধনৰ বিৰোধ নহয়।কাৰণ কেতিয়াবা দোৱা আৰু চৰ্তসমূহ একত্ৰিত হৈ যায়,কিন্তু যি বস্তু খোজা হৈছে সেয়া আল্লাহৰ ওচৰত খোজা জনৰ কাৰণে ঐশী সংশোধনৰ বিপৰীত হয়। আৰু সেয়া পূৰ্ণ কৰাত কোনো ধৰণৰ উপকাৰীতা নহয়। উদাহৰণস্বৰূপ যদি কোনোবাৰ মাতৃৰ প্ৰিয় শিশু আহলাদ কৰে আৰু চিঞৰী এয়া খোজে যে তেওঁৰ হাতত জুইৰ এঙুৰা আৰু সাপৰ পোৱালী তাৰ হাতত দি দিয়ে বা বিষ যি দেখাত অতি সৌন্দৰ্য সেয়া তেওঁক দেখুৱা হয়।এয়া শিশুৱে বিচাৰি থকা বস্তুক তেওঁৰ মাতৃয়ে কেতিয়াও সেয়া পূৰ্ণ নকৰিব। আৰু যদিওবা সেয়া পূৰ্ণ কৰোৱায় আৰু কোনোমতে শিশুটিৰ মৃত্যুৰ মুখৰ পৰা হাতসাৰিয়ো যায় কিন্তু তাৰ কোনো এক অংগৰ ক্ষতি হয় তেন্তে সেই শিশু যুৱক হোৱাৰ পিছত তাৰ মাতৃৰ প্ৰতি খঙাল হৈ যায়,তাৰ বাহিৰেও আৰু কিছুমান চৰ্তসমূহ আছে যে যেতিয়ালৈকে সেইসকলোবোৰ একত্ৰিত নহয় তেতিয়ালৈকে দোৱাক দোৱা বুলি ক’ব নোৱাৰি,আৰু যেতিয়ালৈকে কোনো দোৱাত পৰিপূৰ্ণ আধ্যাত্মিকতা অন্তৰ্ভুক্ত নহয় আৰু যাৰ বাবে দোৱা কৰা হৈ আছে আৰু যিয়ে দোৱা কৰে তাৰ মাজত শক্তি প্ৰসঙ্গ সৃষ্টি নহয় তেতিয়ালৈকে দোৱাৰ প্ৰভাৱৰ

আশা শেষ হৈ যায়। আৰু যেতিয়ালৈকে ঐশী ইচ্ছা দোৱা গ্ৰহণীয় সম্বন্ধে নহয় তেতিয়ালৈকে এই সকলোবোৰ চৰ্তাৱলী একত্ৰিত নহয়,আৰু দক্ষতাত পৰিপূৰ্ণ ভাৱে দুৰ্বলতা আহি পৰে। ছৈয়দ চাহাব এই কথাও স্বীকাৰ কৰে যে আখিৰতৰ ঘৰৰ সুখ আৰু অনুগ্ৰহ আৰু আনন্দ আৰু আৰাম যাৰ অৰ্থ মুক্তিৰ সৈতে কৰা হৈছে ঈমান আৰু ঈমানী দোৱাবোৰৰ ফলাফল হয়। আকৌ এয়া অৱস্থা যে ছৈয়দ চাহাবক স্বীকাৰ কৰিবলগা হৈছে যে এজন মোমিন ব্যক্তিৰ দোৱা নিজৰ ভিতৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু বিপদসমূহ আঁতৰ হোৱা, উদ্দেশ্যবোৰ অৰ্জন কৰাত সফল হৈ পৰে।কাৰণ যদি সফল হ'ব নোৱাৰে তেন্তে তাৰ কি কাৰণ যে কিয়ামতত সফলপ্ৰাপ্ত হ'ব। চিন্তা-ভাৱনা কৰা আৰু বহু চিন্তা-ভাৱনা কৰা যদি দোৱা এক অপ্ৰভাৱশালী বস্তু হয় আৰু দুনিয়াত কোনো বিপদ আঁতৰ কৰাৰ শক্তি ৰাখিব নোৱাৰে তেন্তে তাৰ কাৰণ কি যে কিয়ামতৰ  দিনা সফলপ্ৰাপ্ত হ'ব পাৰিব ? এই কথা স্পষ্ট  যে যদি আমাৰ দোৱাত বিপদৰ পৰা সুৰক্ষা পাবৰ কাৰনে সচাঁকৈয়ে কোনো প্ৰভাৱ আছে তেন্তে সেই প্ৰভাৱ এই পৃথিৱীত প্ৰকাশিত হোৱা  উচিত যাতে আমাৰ বিশ্বাস দৃঢ় হ'ব পাৰে আৰু আশাঙ্খা বৃদ্ধি হ'ব পাৰে আৰু আখিৰতত মুক্তি পোৱাৰ বাবে আৰু বেছিকৈ দোৱা কৰিব পাৰে। আৰু যদি দোৱা কোনো একোৱে নহয় মাথোন কপাল নত কৰি লোৱাৰ নাম হয় তেন্তে পৃথিৱীৰ বিপদসমূহৰ কাৰণে  ছৈয়দ চাহাবৰ কথা যে দোৱা কথা মাথোন, এই ধৰণে আখিৰতৰ বাবেও কথাই হয়,আৰু তাৰ ওপৰত ভৰসা ৰখা মাথোন লালস হয়। এতিয়া মই এই বিষয়ে বেছি লিখিব নুখুজো,কাৰণ শ্ৰোতাবৃন্দসকল আৰু ন্যায়সঙ্গতসকলে মোৰ এই বৰ্ণনা ভাৱি চালে বুজিব পাৰিব যে মই ছৈয়দ চাহাবক তাৰ ভুল বুজা-বুজিৰ যথেষ্ট প্ৰমাণ দাঙি ধৰিছোঁ। যদি এতিয়াও ছৈয়দ চাহাব নিজৰ অটলৰ পৰা পৰামুখ নহয় তেতিয়া বেলেগ পদ্ধতিও তাৰ বাবে প্ৰমাণীত হোৱাৰ বাবে লিখা হৈছে।যদি তেওঁ সত্য বিচাৰে তেতিয়া তেওঁ পৰামুখ নহ'ব। আৰু যদি ছৈয়দ চাহাবৰ দ্বিতীয় পুস্তক যাৰ নাম "তাহৰিৰ ফি উছুলিত তফছিৰ" হয়। তেওঁ এই পুস্তকৰ পৰা একেবাৰে দুৰ্বল আৰু ভঙ্গ পৰি গৈছে। অৰ্থাৎ ছৈয়দ চাহাবে কোনো মত্ত অৱস্থাত এই দুয়ো বিজ্ঞাপন লিখিছে। কাৰণ ছৈয়দ চাহাব গ্ৰহণযোগ্য দোৱাৰ

■হাশিয়া : কুতুব ৰবাবানি ওগুছ ছুজানি ছৈয়দ আব্দুল কাদিৰ জিলানী (ৰাঃ)য়ে যিমান নিজৰ কিতাপ ফুতুহুল গায়িবত পৰিপূৰ্ণতাৰ প্ৰতি লক্ষ্য আৰু দোৱাৰ প্ৰভাৱ নিজৰ অভিজ্ঞতা

আৰু নবীসকলৰ হাতত দোৱাৰ বাহিৰে আৰু কি আছিল ? আৰু বেলেগ বিজ্ঞাপনত  অৰ্থাৎ ছৈয়দ চাহাব তকদিৰক একোৱে নেমানে কাৰণ সকলোবোৰ বস্তুক সিহঁতে এক ভৱিষ্যৎ অস্তিত্ব কৰি দিয়ে অৰ্থাৎ সেই সকলোবোৰ বস্তু খোদা তা'লাৰ হাতৰ পৰা ওলাই পৰিছে। এতিয়া তেওঁৰ সেইবিলাকৰ পৰিৱৰ্তনত কোনো ধৰণৰ স্বীকৃতি নহ'ব।

বাকী হাশিয়াঃ হিচাপে লিখিছে আমি সাধাৰণ লাভৰ বাবে সেই অধ্যায় লগতে অনুবাদ নিম্ন লিখিত উপলব্দি কৰো। এই লিখিতৰ অৰ্থ এয়া যে প্ৰত্যেক অভিজ্ঞতাত সেই ব্যক্তিৰ সাক্ষী ভৰসাশীল বুলি গন্য কৰা হয় যিয়ে এই অভিজ্ঞতাৰ যাচাই কৰে। অৰ্থাৎ এই অৰ্থে দোৱা গ্ৰহণ হোৱাৰ ব্যাখ্যা সেই ব্যক্তিক সঠিক বুলি জানিব পৰা যায় যিয়ে খোদা তা'লাৰ সৈতে সঠিক সম্পৰ্ক সত্য আৰু প্ৰীতিৰ সৈতে হয়। অৰ্থাৎ ছৈয়দ আহমদ খান চাহাবৰ পৰা এই পৱিত্ৰ ব্যাখ্যা খোজা এনেকুৱাই হয় যেনেকুৱা এক বয়াতৰ পৰা কোনো মানুহৰ ৰোগৰ চিকিৎসা সুধা হয়। ছৈয়দ চাহাব যদি কোনো পাৰ্থিৱ চৰকাৰৰ সম্পৰ্ক সিহঁতৰ ভীতিৰ কাৰণে বৰ্ণনা কৰে তেন্তে তেওঁ এই কথাৰ যোগ্য হ'ব। কিন্তু খোদা তা'লাৰ কথা খোদা ভীতি মানুহেই জানে।  আৰু সেই উপাসনা  এয়া যে অনুবাদ ঃ আৰু যদি তুমি খোদা তা'লাৰ গ্ৰহণীয় হ'ব বিচৰা তেতিয়া এই কথাৰ ওপৰত বিশ্বাস আনিবা যে আৰু এনেকুৱা ভাৰি লোৱা যে তোমাৰ হাত তোমাৰ ভৰি তোমাৰ মুখ তোমাৰ চকু আৰু তোমাৰ সকলোবোৰ অস্তিত্ব আৰু তাৰ সকলোবোৰ অংগ তোমাৰ বাটত মূৰ্তি হয় আৰু স্ৰষ্টাৰ ভিতৰত বেলেগ সকলোবোৰ বস্তুও তোমাৰ বাটত মূৰ্তিয়ে হয়।তোমাৰ সন্তান তোমাৰ স্ত্ৰী আৰু প্ৰত্যেক পাৰ্থিৱ দুনিয়াৰ উদ্দেশ্যত যি তুমি বিচৰা আৰু পাৰ্থিৱ সম্পদ পাৰ্থিৱ সন্মান আৰু পাৰ্থিৱ উলঙ্গা আৰু ভীতি আৰু জায়েদ আৰু বক্কৰৰ ওপৰত ভৰসা বা খালিদ আৰু অলিদে ক্ষতি কৰিব বুলি ভীতি কৰা এই সকলোবোৰ তোমাৰ বাটত মূৰ্তি হয়।অৰ্থাৎ তুমি এই মূৰ্তিবোৰৰ পৰা কোনোবাৰ অনুসাৰী নহবা আৰু নিজৰ অস্তিত্বক সেইবিলাকৰ অনুসৰণ কৰাত ডুবি নেযাবা। অৰ্থাৎ মাথোন চৰিয়ত অনুযায়ী তোমাৰ অধিকাৰ আৰু নেক চুন্নতৰ অনুসৰণকাৰী হ'বা। যদি তুমি এনেকুৱা কৰিছা তেতিয়া তুমি বুদ্ধিমান হ'ব পাৰিবা আৰু তোমাৰ স্থান ওখ হ'ব। অৰ্থাৎ তোমাক দেখা নাযাব আৰু খোদা তা'লা তোমাক নিজৰ নবীসকল আৰু ৰছুলসকলৰ উত্তৰাধিকাৰী বনাই দিব।অৰ্থাৎ তাৰ জ্ঞান আৰু কল্যাণ যি গুপ্ত আছিল সেয়া তোমাক প্ৰদান কৰা হ'ব আৰু বংশধৰ তোমালৈ সমাপ্ত ঘটিব।অৰ্থাৎ তোমাৰ পিছত কোনোবা থিয় হ'ব নোৱাৰিব যি তোমাতকৈ ডাঙৰ হ'ব। আৰু তোমাৰ দোৱা আৰু তোমাৰ শক্তিশালী উদ্দেশ্য আৰু তোমাৰ কল্যাণৰ পৰা মানুহৰ কঠোৰ দুঃখ আঁতৰ হ'ব আৰু নিৰাশাসকলৰ বাবে বৰষুণ হৈ পৰিব। আৰু খেতিৰ উৎপাদন বৃদ্ধি পাব,প্ৰত্যেকধৰণৰসাধাৰণ

অৰ্থাৎ তাৰ খোদাৰ ওপৰত ভৰসা মাথোন এক সংকীৰ্ণ বৃত্তত সীমাৱদ্ধ। আৰু তাৰ স্নাতক বন্দোৱস্ত আগত নাই বৰং পিছফালে ৰৈ গৈছে। আৰু যি বস্তুৰ ওপৰত অৱস্থা সম্পূৰ্ণ কৰে সেয়া তাৰ বাবে তকদিৰ নহয়,বৰং সেয়া স্ৰষ্টাৰ এক নিজস্ব গুণ হয়। আৰু যি পৰিৱৰ্তনৰ যোগ্য নহয়,কাৰণ তকদিৰৰ অৰ্থক ইখতিয়াৰে মুকাদ্দৰ

**বাকী হাশীয়া ঃ** আৰু বিশেষ বিপদ আৰু কষ্টৰ সময়ত বাদশ্বাহ তোমাৰ ফালে আকৃষ্ট হ'ব আৰু তোমাৰ দোৱাৰ কল্যাণত সেই বিপদ আঁতৰ হ'ব।আৰু এই শক্তি তোমাৰ সৈতে থাকিব। আৰু যিফালে সি ঘূৰিব সেইফালে তুমি ঘূৰিবা।আৰু পূৰ্বৰ মাত তোমাক নিজৰ ফালে আহ্বান কৰিব,অৰ্থাৎ যি তোমাৰ মুখৰ পৰা ওলাব সেয়া খোদা তা'লাৰ ফালৰ পৰা হ'ব।আৰু তাত কল্যাণ থাকিব। আৰু তোমাক সেই সকলো খোদা বীৰুসকলৰ প্ৰতিনিধি বনোৱা হ'ব যিসকলক তোমাৰ পূৰ্বে জ্ঞান অৰ্জিত হৈছিল।আৰু সেই জন তোমালৈকে সমাপ্ত কৰা হ'ব।অৰ্থাৎ তোমাৰ দোৱা আৰু তোমাৰ ধ্যান বিশ্বব্ৰহ্মাণ্ডৰ কাৰণে অতিবাহিত হ'ব। আকৌ যদি তুমি সমাপ্তক উপস্থিত কৰিব খোজা আৰু উপস্থিতক সমাপ্ত কৰিব খোজা তেতিয়া সেয়াই হৈ যাব আৰু আৰু অসাধাৰণ কাৰ্যকলাপৰ অভ্যাস তোমাৰ পৰা প্ৰকাশিত হৈ যাব। আৰু তোমাক গুপ্ত আৰু উচ্চ জ্ঞান অৰ্জন হ'ব।যাৰ বাবে তোমাক আমিন আৰু যোগ্যবান বুলি গন্য কৰা হ'ব।

বাধ্য হৈ পৰিছে। অৰ্থাৎ এয়া প্ৰকাশ্য যে যি বিশেষত্বৰ ওপৰত খোদা তা'লাৰ কোনো স্বীকৃতি বাকী নাথাকে।তেন্তে এই বিশেষত্বক তাৰ তকদিৰ কেনেকৈ ক'ব পৰা যাব আৰু যদি সেয়া কৰ্তৃত্ব হয় তেন্তে পৰিৱৰ্তন সম্ভৱপৰ হৈ পৰে। উদ্দেশ্য ছৈয়দ চাহাবে সেই দ্বিতীয় বিজ্ঞাপনত গুপ্ত সত্যৰ শাসন সকলোবোৰ বস্তুৰ প্ৰাৰম্ভিকৰ পৰা এনেদৰে উঠাই দিছে যে সেয়া তাৰ বিশেষত্বত(ছৈয়দ চাহাবৰ কথা) ইচ্ছাৰ অনুসৰণৰ মালিক নহয়। অৰ্থাৎ মালিকৰ সেইবিলাকৰ ওপৰত কোনো ধৰণৰ খৰচ কৰাৰ দক্ষতা নাথাকিব। এই ধৰণেই ছৈয়দ চাহাবে সকলোবোৰ বস্তু জুই ইত্যাদিক এনেধৰণৰ ভাৱে। অৰ্থাৎ ছৈয়দ চাহাবৰ আইনত ইংৰাজ সকলৰ আইনতকৈয়ো বেছি কঠোৰতা হয়,কাৰণ ইংৰাজ সকলে পাচঁ বাৰ উত্তৰাধিকাৰক ওলাবৰ বাবে এখন পদ্ধতি প্ৰতিষ্ঠিত কৰি দিছে আৰু সেয়া এই যে যেতিয়া উত্তৰাধিকাৰী এবছৰলৈ বাধ্যতামূলক খাজনাৰ এক অংশই (দুই আনা)হওক যদি আদায় নকৰে তেন্তে সেয়া খাৰিজ হ'ব পাৰে। কিন্তু ছৈয়দ চাহাবে সকলো অৱস্থাতে মালিকৰ অধিকাৰ সমাপ্ত কৰি দিছে। আৰু এয়া বহু ডাঙৰ অত্যাচাৰ হয়। আৰু ছৈয়দ চাহাবে যিয়ে নিজৰ লালস বন্ধুৰ পৰা কোৰাণ কৰিমৰ মৰ্যদা বিচাৰিছে।

গতিকে মই প্ৰয়োজনবোধ কৰিছোঁ যে এই ঠাইত ছৈয়দ চাহাবৰ মইয়ো কিছু পৰিমাণে খিদমত কৰি দিও।কাৰণ পাহৰি যোৱা সকলক বাট দেখুওৱা পোন প্ৰথম মোৰ বাবে ফৰজ হয়।গতিকে জনা আৱশ্যক যে সকলোতকৈ **প্ৰথম মৰ্যদা** সঠিক তফছিৰৰ সাক্ষী কোৰাণ মজিদ হয়।এই কথা বৰ ধ্যানেৰে স্মৰণ ৰখা উচিত যে কোৰাণ মজিদ সাধাৰণ কিতাপৰ নিচিনা নহয়,যিয়ে নিজৰ সত্যৰ প্ৰমাণ বা আৱিষ্কাৰৰ কাৰণে বেলেগৰ প্ৰয়োজন হয়।সেয়া এক এনেকুৱা ভৱনৰ নিচিনা যে যাৰ এটা ইটাৰ সলনিৰ ফলত গোটেই ভৱনৰ সৌন্দৰ্য সমাপ্ত ঘটে। ইয়াৰ কোনো সত্যতা এনেকুৱা নাই  যে যি কম পক্ষে দহ বা বিশ সাক্ষী তাৰ নিজৰে ভিতৰত সীমিত নাথাকিব। গতিকে যদি আমি কোৰাণ মজিদৰ এক আয়াতৰ এটা অৰ্থ কৰো তেতিয়া আমাৰ লক্ষ্য ৰখা উচিত যে এই অৰ্থৰ সত্যায়ণ কৰাৰ  বাবে বেলেগ সাক্ষী কোৰাণ কৰিমৰ সৈতে মিলি আছে নে নাই।যদি বেলেগ সাক্ষী মিলা নাই অৰ্থাৎ এই অৰ্থ বেলেগ আয়াতৰ পৰা একেবাৰে ভিন্ন তেতিয়া আমাৰ বুজা আৱশ্যক যে সেই অৰ্থ একেবাৰেই বাতিল। কাৰণ এয়া সম্ভৱ নহয় যে কোৰাণ কৰিমত মতভেদ আছে। আৰু সত্যিকাৰ অৰ্থে এয়াই চিহ্ন যে কোৰাণ কৰিমৰ বিস্তাৰিত সাক্ষীৰ দলৰ ইয়াৰ সত্যায়ণ কৰিব।

**দ্বিতীয় মৰ্যদা** ৰছুলে কৰিম (ছাঃ)ৰ তফছিৰ হয়।ইয়াত কোনো সন্দেহ নাই যে কোৰাণ মজিদৰ অৰ্থ বুজি পোৱা সকলে আমাৰ প্ৰিয় আৰু বুজুৰ্গ নবী হজৰত নবী কৰিম (ছাঃ)আছিল। অৰ্থাৎ যদি আঁহজৰত (ছাঃ)ৰ পৰা কোনো ব্যাখ্যা প্ৰমাণীত হৈ যায় তেতিয়া মুছলমানৰ বাবে ফৰজ হয় যে পলম নকৰি সেয়া গ্ৰহণ কৰা উচিত।

**তৃতীয় মৰ্যদা** চাহাবাসকলৰ তফছিৰ হয়। ইয়াত কোনো সন্দেহ নাই যে চাহাবাসকল আঁহজৰত (ছাঃ)ৰ জ্যোতিক অৰ্জনকাৰীসকলে আৰু নবুয়তৰ জ্ঞানৰ প্ৰথম উত্তৰাধিকাৰী আছিল আৰু খোদা তা'লাৰ অসীম কৃপা সিহঁতৰ ওপৰত আছিল, আৰু ঐশী সহায় সিহঁতৰ সৈতে আছিল।কাৰণ সিহঁতৰ কেৱল দুৰাৱস্থাই নাছিল অৰ্থাৎ অৱস্থাও আছিল।

**চতুৰ্থ মৰ্যদা** নিজে নিজৰ হৃদয়ৰ পৱিত্ৰতাক লৈ কোৰাণ কৰিমৰ বিষয়ে চিন্তা-ভাৱনা কৰা। কাৰণ পৱিত্ৰ হৃদয়ৰ সৈতে কোৰাণ কৰিমৰ সম্বন্ধ আছে। আল্লাহ তা'লা কৈছে, "লা ইয়ামাচ্ছুহু ইল্লাল মুতাহহাৰুণ"(চুৰা ওৱাকিয়া আয়াত

৮০) অর্থাৎ কোৰাণ কৰিমৰ সত্যতা মাথোন সেইসকলৰ ওপৰত প্রকাশিত হয় যিসকলৰ হৃদয় পৱিত্র। কাৰণ পৱিত্র হৃদয়বান সকলৰ ওপৰত কোৰাণ কৰিমৰ পৱিত্র নির্দেশ প্রকাশিত হয়,আৰু তাক চিহ্নিত কৰি লয় আৰু তাৰ সুগন্ধি বিচাৰি থাকে। আৰু তাৰ হৃদয় ক'ব ধৰে ইয়াত এই বাট উৎকৃষ্ট। আৰু তাৰ জ্যোতি হৃদয়ক সত্যায়ণ কৰাৰ বাবে এক উৎকৃষ্ট মর্যদাপ্রাপ্ত হয়।অর্থাৎ যেতিয়ালৈকে মানুহ যোগ্যতাপ্রাপ্ত নহয় আৰু সেই সংকীর্ণ বাট অতিক্রম নকৰে যি বাটেৰে নবীসকল অতিক্রম কৰিছে, তেতিয়ালৈকে সিহঁতে কোৰাণ মজিদৰ সঠিক ব্যাখ্যা কৰিব নোৱাৰে। যেনেকুৱা নবী কৰিম (ছাঃ)য়ে কৈছে যে “মান ফাচ্ছাৰাল কুৰাণা বিৰায়িহি ফাআচাবা ফাকাদ আখতাআ” অর্থাৎ যিজনে নিজৰ ৰায় মতে কোৰাণৰ তফছিৰ কৰিছে আৰু নিজৰ ধাৰণাক ভাল বুলি ভাৰিছে তেতিয়াও তেওঁ বেয়া তফছিৰ কৰিছে।

**পঞ্চম পর্যদা** আৰবৰ অভিধান হয়। কিন্তু কোৰাণ মজিদ নিজৰ সম্পদ এতিয়া ইমান পৰিমাণে প্রতিষ্ঠিত কৰিছে যে আৰবৰ ভাল অভিধানৰ তদন্ত কৰাৰ প্রয়োজন নহয়,হয় প্রয়োজন সাপেক্ষে দৰকাৰ হয়,অর্থাৎ কেতিয়াবা কোৰাণ কৰিমৰ গুপ্ত ৰহস্যৰ ফালে অভিধান বিচৰাত ধ্যান জাগ্রত হয় আৰু এক ৰহস্যৰ কথা মুকলি হৈ পৰে।

**ছষ্টম মর্যদা** আধ্যাত্মিক শৃঙ্খল বুজাৰ বাবে শাৰীৰিক শৃঙ্খল হয়। কাৰণ খোদা তা'লা উভয় শৃঙ্খলাত মিল ৰাখিছে। **সপ্তম মর্যদা** অহি (প্রত্যাদেশ)আৰু মুহাদ্দিছিনসকলৰ দিব্য দর্শন*হয় আৰু এই মর্যাদা

***হাশিয়া মিয়াৰে সপ্তমঃ** ছৈয়দ চাহাবে নিজৰ কোনো পুস্তকত অহিক সত্যৰ মর্যদা বুলি নেমানে তাৰ কাৰণ এয়া জানিব পৰা যায় সেই নবীৰ অহি হওক সন্মানৰ দৃষ্টিৰে নেদেখে অর্থাৎ সেয়া মাথোন প্রাকৃতিক ফিৰিস্তা বুলি গন্য কৰে,গতিকে তাৰ এই ৰায় সম্বন্ধে এই স্থানত কিছু বর্ণনা কৰা যুক্তিসঙ্গত বুলি ভাৱো যে ছৈয়দ চাহাবৰ এই ধাৰণা ভুল আৰু সত্যৰ পৰা আঁতৰত ৰখাৰ এক ৰায় হয় যে আল্লাহৰ অহিক মাথোন প্রকৃতি ফিৰিস্তা বুলি ধাৰণা কৰে। এই কথা স্পষ্ট যে মানুহৰ প্রকৃতিত কেইবা ধৰণৰ আলাপআলোচনা থাকে আৰু সকলোবোৰ আপালআলোচনাত এই ধৰণৰ যে এজনৰ অঙ্গি-ভঙ্গি বেলেগৰ অঙ্গি-ভঙ্গিৰ ওপৰত সাক্ষী থাকে। উদাহৰণস্বৰূপ কিছুমানৰ প্রকৃতি জ্ঞান অংক আৰু জ্যামিতিত মিল থাকে আৰু কিছুমানৰ ঔষধী জ্ঞান আৰু কিছুমানৰ যুক্তিবিদ্যা জ্ঞান আৰু কথাত নিজে নিজে এই গুপ্ত শক্তিয়ে কোনোবাক গণনা আৰু প্রকৌশলী বা ডাক্তৰ আৰু যুক্তিবিদ্যা বনাব নোৱাৰে।অর্থাৎ এনেকুৱা ব্যক্তি শিক্ষকৰ শিক্ষাৰ

সকলোবোৰ মৰ্যাদা ওপৰত প্ৰভাৱশালী কৰে কাৰণ অহিপ্ৰাপ্ত মুহাদ্দিছ নিজৰ নবীৰ অনুসৰণৰ সম্পূৰ্ণ সদৃশ হয়। আৰু নবী অবিহনে আৰু নতুন আদেশৰ সেইসমূহ কথা তাক দিয়া হয় যি নবীসকলক দিয়া হয়।আৰু তাৰ ওপৰত নিশ্চয় সত্য শিক্ষা প্ৰকাশিত হয় আৰু কেৱল মাথোন ইমানখিনিয়েই নহয় বৰঞ্চ সেইবোৰ কাৰ্যকলাপ পুৰস্কাৰ আৰু সন্মানীত হিচাপে ব্যবহৃত হয়। অৰ্থাৎ এই বৰ্ণনা কেৱল বন্ধ নাথাকে বৰঞ্চ সেয়া দেখি কৈ থাকে,আৰু শ্ৰৱণ কৰি কৈ থাকে আৰু এই বাট

**বাকী হাশিয়া** ঃ প্ৰয়োজন হয়। আৰু আকৌ জ্ঞানী শিক্ষক যেতিয়া সেই ব্যক্তিৰ শৰীৰত এক বিশেষ মিল থকা দেখিব পায়।তেতিয়া সেয়া পঢ়াৰ বাবে এক মনোযোগ আকৰ্ষণ হয় সেই সম্পৰ্কে এক কবিতা এয়া যে,

ہر کسے را بہر کارے ساختند میل بعش اندران انداختند

সেই শিক্ষাৰ পিছত সেই ৰাণী যিয়ে বীজৰ নিচিনা গুপ্ত হৈ আছিল বিস্তাৰণ কৰে আৰু নানা ধৰণৰ সূক্ষ্ম শিক্ষা তেওঁক প্ৰভাম্বিত কৰে আৰু যিবিলাক সেই অভিজ্ঞতাৰ বিষয়ে নতুন নতুন কাৰ্যকলাপ আল্লাহৰ ফালৰ তেওঁৰ হৃদয়ত সৃষ্টি হয়,যদি সেইবোৰৰ নাম ইলহাম আৰু ইলকা ৰখা হয় তথাপি কোনো ধৰণৰ দূৰত্ব নহয়।কাৰণ সন্দেহ অবিহনে সেই সকলোবোৰ কথা যাৰ পৰা মানুহ উপকৃত হয়,খোদা তা'লাৰ ফালৰ পৰা হৃদয়ত সোমাই দিয়া হয়। অৰ্থাৎ আল্লাহ তা'লা এই ফালে ইঙ্গিত কৰি কয় যে,"ফাআলহামাহুমা ফুজুৰুহা ওৱা তাকৱাহা" (আশস্বামছ আয়াত ৯) অৰ্থাৎ বেয়া কথা আৰু পুণ্য কথা যি মানুহৰ হৃদয়ত পৰে সেয়া খোদা তা'লাৰ ফালৰ পৰা ইলহাম হয়। ভাল মানুহ নিজৰ ভাল শৰীৰৰ কাৰণে সেইবোৰৰ যোগ্য হয় যে ভাল কথা তাৰ হৃদয়ত পৰে। আৰু বেয়া মানুহ নিজৰ বেয়া শৰীৰৰ কাৰণে সেই ধৰণে বাস্তবায়িত হয়। বেয়া কল্পনা আৰু বেয়া ধাৰণা তাৰ হৃদয়ত জন্মে।আৰু সচাঁকৈয়ে নেক মানুহ এই ধৰণৰ ইলহামপ্ৰাপ্ত হোৱাৰ কাৰণে প্ৰকৃতপক্ষে এক নেক ফিৰিস্তা নিজৰ ভিতৰত সৃষ্টি কৰে। আৰু বেয়া মানুহ প্ৰকৃতপক্ষে এক বেয়া ফিৰিস্তা নিজৰ ভিতৰত ৰাখে।অৰ্থাৎ সেই ফিৰিস্তা প্ৰকৃতিৰ হোৱাৰ কাৰণে বহু মানুহ ভাল আৰু বেয়াৰ সংকলন পৱিত্ৰ আৰু অপৱিত্ৰ শব্দবোৰে নিজৰ স্মৃতি এৰি গৈছে।কিন্তু প্ৰশ্ন এয়া যে নবীসকলৰ অহিৰো এয়া সত্যতা আছলি যে প্ৰকৃতপক্ষে এয়াও এক ধৰণৰ ফিৰিস্তাৰ বৈশিষ্ট ৰাখে।যিসকলে এই ধৰণৰ অহী প্ৰাপ্ত হৈ থাকে।যাৰ বিস্তাৰিত এতিয়া বৰ্ণনা কৰা হৈছে যদি ইমানখিনিয়ে কথা সচাঁ জানিব লাগে কাৰণ নবীসকলৰ অহীক মাথোন এক ফিৰিস্তাৰ বৈশিষ্ট কৰি দিয়া আৰু নবীসকলক এই ধৰণৰ বেলেগ মানুহৰ মাজত পাৰ্থক্য প্ৰতিষ্ঠিত কৰা বৰ অসুবিধা। সম্ভৱত ছৈয়দ চাহাব এই ঠাইত এয়া কৈ দিয়ক যে আমি অহি হয় বুলি মান্য কৰো,অৰ্থাৎ কোৰাণ মজিদৰ শব্দবোৰ অহি হয়, কিন্তু ছৈয়দ চাহাব এই জ্ঞানক ভালদৰে বুজি পায়

